**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 07-10-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

ooooo

১। অৰ্থনৈতিক পৰিক্ৰমা বিষয়ক কেবিনেট কমিটিয়ে ২৪ হাজাৰ ৬৩৪ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ হ'বলগীয়া ৰে'ল বিভাগৰ চাৰিটা প্ৰকল্পত অনুমোদন জনাইছে।

২। কেন্দ্ৰীয় চৰকাৰে ৰাষ্ট্ৰীয় দুৰ্য্যোগ সঁহাৰি পুঁজিৰ অধীনত অসম আৰু গুজৰাটলৈ ৭০৭ কোটিতকৈও অধিক টকাৰ বিত্তীয় সাহায্যত অনুমোদন দিছে।

৩। প্ৰধানমন্ত্ৰীৰ সূৰ্য্যঘৰ বিনামূলীয়া বিদ্যুৎ যোজনাৰ অধীনত ৰাজহুৱা খণ্ডৰ বেংকসমূহে ১০ হাজাৰ ৯০৭ কোটি টকাৰ ৫ লাখৰো অধিক ঋণ আবেদনত অনুমোদন জনাইছে বুলি চৰকাৰে প্ৰকাশ কৰিছে।

৪। আমেৰিকা যুক্তৰাষ্ট্ৰৰ জন ক্লাৰ্ক, মিচেল দেৱোৰেত আৰু জন মাৰ্টিনিজলৈ ২০২৫ বৰ্ষৰ পদাৰ্থ বিজ্ঞানৰ ন'বেল বঁটা আগবঢ়োৱা হৈছে।

***আৰু***

৫। মহিলাৰ এদিনীয়া বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত বাংলাদেশে ইংলেণ্ডক জয়ৰ বাবে ১৭৯ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে।

ooooo

অৰ্থনৈতিক পৰিক্ৰমা বিষয়ক কেবিনেট কমিটিয়ে ২৪ হাজাৰ ৬৩৪ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ হ'বলগীয়া ৰে'ল বিভাগৰ চাৰিটা প্ৰকল্পত অনুমোদন জনাইছে। এই প্ৰকল্পসমূহৰ ভিতৰত ভূ চাৱাল-ৱৰ্ধা তৃতীয় আৰু চতুৰ্থ লাইন, গোন্দিয়া-দ'নগৰগঢ় চতুৰ্থ লাইন, বডোডৰা-ৰাটলাম তৃতীয় আৰু চতুৰ্থ লাইন তথা ইটাৰ্চী-ভূপাল-বিনা চতুৰ্থ লাইন উল্লেখযোগ্য। কেইবাশৰীয়া ৰেল লাইন নিৰ্মাণৰ এই প্ৰকল্পৰ অধীনত মহাৰাষ্ট্ৰ, মধ্য প্ৰদেশ, গুজৰাট আৰু ছত্তিশগড়ৰ ১৮ খন জিলাক সামৰি লোৱা হ'ব। তদুপৰি, এই প্ৰকল্পসমূহৰ জৰিয়তে দেশৰ ৰে'ল নেটৱৰ্ক ৮৯৪ কিলোমিটাৰ বৃদ্ধি হ'ব।

নতুন দিল্লীত আজি আয়োজিত কেবিনেট বৈঠকৰ অন্তত তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰা অনুসৰি, এই প্ৰকল্পসমূহৰ অধীনত নিৰ্মাণ হ'বলগীয়া ৰে'ল লাইনৰ মুঠ দৈৰ্ঘ্য হৈছে, এহেজাৰ ৬১৯ কিলোমিটাৰ। তেওঁ কয়, যে এই পদক্ষেপৰ জৰিয়তে প্ৰায় ৩ হাজাৰ ৬৩৩ খন গাঁৱলৈ

যোগাযোগ ব্যৱস্থা ত্বৰান্বিত হ'ব। এই গাঁওসমূহৰ জনসংখ্যা ৮৫ লাখতকৈও অধিক বুলি তেওঁ প্ৰকাশ কৰে। শ্ৰীবৈষ্ণৱে কয়, যে ৰে'ল লাইনৰ সম্প্ৰসাৰণে যাতায়াতৰ সুচলতা বৃদ্ধি কৰাৰ লগতে ভাৰতীয় ৰে'ল বিভাগৰ কাৰ্য্য-কুশলতা তথা নিৰ্ভৰযোগ্যতা বৃদ্ধি কৰিব।

ooooo

উপ-ৰাষ্ট্ৰপতি তথা ৰাজ্যসভাৰ সভাপতি চি পি ৰাধাকৃষ্ণণ আজি ৰাজ্যসভাত বিভিন্ন ৰাজনৈতিক দলৰ নেতাসকলৰ সৈতে বৈঠকত মিলিত হয়। যোৱা মাহত ৰাজ্যসভাৰ সভাপতি হিচাপে কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পাছত এয়া হৈছে শ্ৰীৰাধাকৃষ্ণণৰ বিভিন্ন ৰাজনৈতিক দলৰ নেতাসকলৰ সৈতে প্ৰথমখন বৈঠক। বৈঠকত ৰাজ্যসভাৰ কাম-কাজ সুচাৰুৰূপে সম্পন্ন কৰাটো সুনিশ্চিত কৰাৰ লগতে সদনৰ কাম-কাজ বিঘ্নিত নোহোৱাকৈ বিতৰ্ক অনুষ্ঠিত কৰাৰ বাবে সদস্যসকলৰ দিহা-পৰামৰ্শ সন্দৰ্ভত আলোচনা কৰা হয়। ৰাজ্যসভাৰ নেতা জে পি নড্ডা, সংসদীয় পৰিক্ৰমা ৰাজ্যমন্ত্ৰী অৰ্জুন ৰাম মেঘৱাল আৰু ড০ এল মুৰুগন, কংগ্ৰেছ নেতা প্ৰমোদ তিৱাৰী, ডি এম কে নেতা তিৰুচী শিৱা, এছ্ পি নেতা ৰাম গোপাল যাদৱ, চি পি আই এমৰ জন ব্ৰিট্টাছ্, অসম গণ পৰিষদৰ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্য, আম আদমী পাৰ্টীৰ সঞ্জয় সিং, আৰ এল এমৰ উপেন্দ্ৰ কুশ্বাহা আৰু অন্য ৰাজনৈতিক দলৰ সদস্যসকল বৈঠকত উপস্থিত থাকে।

ooooo

কেন্দ্ৰই অগ্নি নিৰ্বাপণ সেৱাৰ আধুনিকীকৰণ তথা বিকাশৰ বাবে ৰাষ্ট্ৰীয় দুৰ্য্যোগ সঁহাৰি পুঁজিৰ অধীনত হাৰিয়াণা, মধ্য প্ৰদেশ আৰু ৰাজস্থানলৈ ৯০৩ কোটি টকা বিত্তীয় সাহায্য মঞ্জুৰ কৰিছে। গৃহ মন্ত্ৰী অমিত শ্বাহৰ অধ্যক্ষতাত অনুষ্ঠিত এখন উচ্চ পৰ্য্যায়ৰ সমিতিয়ে এই অনুমোদন জনায়। নিৰ্দিষ্ট ধনৰাশিৰ ভিতৰত ১১৭ কোটিতকৈও অধিক হাৰিয়াণাৰ বাবে, ৩৯৭ কোটি মধ্য প্ৰদেশৰ বাবে আৰু ৩৮৮ কোটিতকৈও অধিক টকা ৰাজস্থানৰ বাবে মঞ্জুৰ কৰা হৈছে। তদুপৰি, সমিতিখনে একেই পুঁজিৰ অধীনত অসম আৰু গুজৰাটলৈ ৭০৭ কোটিতকৈও অধিক টকাৰ বিত্তীয় সাহায্যত অনুমোদন দিছে। উল্লেখযোগ্য যে, বিগত বৰ্ষত বান আৰু ভূমি স্খলনৰ ফলত ৰাজ্য দুখন ক্ষতিগ্ৰস্ত হৈছিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দিক্-দৰ্শনত চৰকাৰে প্ৰাকৃতিক দুৰ্য্যোগৰ সময়ত ৰাজ্য চৰকাৰসমূহৰ প্ৰতি সকলো প্ৰকাৰৰ সাহায্য আগবঢ়াইছে বুলি গৃহ মন্ত্ৰালয়ে প্ৰকাশ কৰে। চলিত বিত্তীয় বৰ্ষত কেন্দ্ৰীয় চৰকাৰে ১২ খন ৰাজ্যলৈ ৰাষ্ট্ৰীয় দুৰ্য্যোগ সঁহাৰি পুঁজিৰ অধীনত দুহেজাৰ কোটিতকৈও অধিক আৰু ৰাজ্যিক দুৰ্য্যোগ সঁহাৰি পুঁজিৰ অধীনত ২৭ খন ৰাজ্যলৈ ১৩ হাজাৰ ৬০৩ কোটি টকা মুকলি কৰি দিছে।

ooooo

ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী কীৰ ষ্টাৰমাৰ কাইলৈ দুদিনীয়া ভ্ৰমণসূচীৰে ভাৰতলৈ আহিব। এয়া হ'ব ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰীগৰাকীৰ প্ৰথমটো ভাৰত ভ্ৰমণ।

বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ এটা সূত্ৰই প্ৰকাশ কৰা মতে ৯ অক্টোবৰত মুম্বাইত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী ষ্টাৰমাৰে **ভিজন ২০৩৫**ৰ ৰূপৰেখা প্ৰস্তুত কৰাৰ বাবে ভাৰত আৰু ব্ৰিটেইনৰ সংহত কৌশলগত অংশীদাৰিত্বৰ অধীনত ৰূপায়িত বিভিন্ন কাৰ্যসূচীৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰিব। উল্লেখযোগ্য যে এনে অংশীদাৰিত্বৰ জৰিয়তে বাণিজ্য আৰু বিনিয়োগ, প্ৰযুক্তি আৰু উদ্ভাৱন, প্ৰতিৰক্ষা আৰু নিৰাপত্তা, জলবায়ু

আৰু শক্তি, স্বাস্থ্য, শিক্ষা আৰু জনসাধাৰণৰ মাজৰ পাৰস্পৰিক সম্পৰ্কৰ দৰে গুৰুত্বপূৰ্ণ বিষয়সমূহক অগ্ৰাধিকাৰ প্ৰদানেৰে গ্ৰহণ কৰা উভয় দেশে ১০ বছৰীয়া সময় নিৰ্ধাৰিত কাৰ্যসূচী গ্ৰহণ কৰিছে।

দুয়োগৰাকী নেতাই পৰস্পৰ স্বাৰ্থজড়িত বিষয়সমূহৰ ক্ষেত্ৰত ভাব বিনিময় কৰাৰ লগতে দুয়ো দেশৰ মাজৰ অৰ্থনৈতিক আৰু বাণিজ্য চুক্তি সন্দৰ্ভত আলোকপাত কৰাৰ উদ্দেশ্যে ব্যৱসায়িক আৰু ঔদ্যোগিক ক্ষেত্ৰৰ নেতৃস্থানীয় লোকসকলৰ সৈতে বাৰ্তালাপতো অংশগ্ৰহণ কৰিব।

উল্লেখযোগ্য যে, দুয়োখন দেশৰ প্ৰধানমন্ত্ৰী দুগৰাকীয়ে মুম্বাইত হ'বলগীয়া **গ্লোবেল ফিনটেক ফেষ্ট**ৰ ষষ্ঠ সংস্কৰণত অংশগ্ৰহণ কৰিব। ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী ষ্টাৰমাৰৰ এই ভ্ৰমণে ভাৰত আৰু ব্ৰিটেইনৰ মাজৰ সম্পৰ্কৰ উন্নতি সাধন কৰিব বুলি আশা কৰা হৈছে।

ooooo

প্ৰধানমন্ত্ৰীৰ সূৰ্য্যঘৰ বিনামূলীয়া বিদ্যুৎ যোজনাৰ অধীনত ৰাজহুৱা খণ্ডৰ বেংকসমূহে ১০ হাজাৰ ৯০৭ কোটি টকাৰ ৫ লাখৰো অধিক ঋণ আবেদনত অনুমোদন জনাইছে বুলি চৰকাৰে প্ৰকাশ কৰিছে। বিত্ত মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে, ঘৰৰ মুধচত সৌৰ বিদ্যুৎ উৎপাদন প্ৰণালী স্থাপনৰ বাবে হিতাধিকাৰীসকললৈ বিত্তীয় সাহায্য আগবঢ়োৱাৰ বাবে এই ঋণৰ অনুমোদন জনোৱা হৈছে। প্ৰধানমন্ত্ৰীৰ সূৰ্য্যঘৰ বিনামূলীয়া বিদ্যুৎ যোজনাৰ বাবে ৰাজহুৱা খণ্ডৰ বেংকৰ জৰিয়তে ঋণ প্ৰদানৰ প্ৰক্ৰিয়া সুগম কৰি তোলা হৈছে আৰু কম সুদৰ অতিৰিক্ত বন্ধকী অবিহনে ঋণৰ ব্যৱস্থা কৰা হৈছে।

ooooo

চীপ ব্যৱহাৰ কৰি কোৱাণ্টাম পদাৰ্থ বিজ্ঞানৰ ক্ৰিয়াশীল ৰূপৰ প্ৰদৰ্শনৰ অভূতপূৰ্ব পৰীক্ষাৰ বাবে আমেৰিকা যুক্তৰাষ্ট্ৰৰ তিনিগৰাকী বিজ্ঞানীলৈ ২০২৫ বৰ্ষৰ পদাৰ্থ বিজ্ঞানৰ ন'বেল বঁটা আগবঢ়োৱা হৈছে। বিজ্ঞানী তিনিগৰাকীৰ কাৰ্য্যই কোৱাণ্টাম কম্পিউটাৰ, কোৱাণ্টাম সংবেদনগ্ৰাহক আৰু কোৱাণ্টাম সংকেতবিদ্যাৰ অগ্ৰগতিৰ পথ প্ৰশস্ত হৈছে। ন'বেল বঁটাৰে পৰুস্কৃত জন ক্লাৰ্ক, মিচেল দেৱোৰেত আৰু জন মাৰ্টিনিজ কেলিফ'ৰ্ণিয়া বিশ্ববিদ্যালয় আৰু য়েল বিশ্ববিদ্যালয়ৰ সৈতে জড়িত। তেওঁলোকৰ পৰীক্ষাৰ পৰা কোৱাণ্টাম প্ৰভাৱ যে স্থূল অৱস্থাতো থাকিব পাৰে, সেয়া নিশ্চিত হৈছে। ৰয়েল ছুইচ একাডেমী অৱ চায়েন্সেছে তিনিওগৰাকী বিজ্ঞানীলৈ ১ কোটি ১০ লাখ ছুইছ ক্ৰ'ণৰেৰে পুৰস্কৃত কৰাৰ কথা ঘোষণা কৰিছে। বিশেষজ্ঞসকলে এই সাফল্যক কোৱাণ্টাম প্ৰযুক্তিৰ নিৰন্তৰ বিকাশৰ বাবে গুৰুত্বপূৰ্ণ পদক্ষেপ বুলি অভিহিত কৰিছে আৰু এই অগ্ৰগতিয়ে বিশ্বৰ ডিজিটেল ব্যৱস্থাৰ আমূল পৰিৱৰ্তন সাধন কৰিব বুলি আশা প্ৰকাশ কৰিছে।

ooooo

শিক্ষা মন্ত্ৰালয়ে বিকশিত ভাৰত বিল্ডাথন-২০২৫ কাৰ্য্যসূচীৰ বাবে পঞ্জীয়নৰ অন্তিম তাৰিখ অহা ১১ অক্টোবৰলৈ বৃদ্ধি কৰিছে। দেশজুৰি প্ৰায় আঢ়ৈ লাখ বিদ্যালয়ৰ শিক্ষাৰ্থীসকলক উদ্ভাৱনৰ বাবে উৎসাহিত কৰাৰ উদ্দেশ্যে নীতি আয়োগৰ অটল উদ্ভাৱনী অভিযানৰ সহযোগিতাত এই পদক্ষেপ মুকলি কৰা হৈছে। এই কাৰ্য্যসূচী হৈছে উদ্ভাৱনী খণ্ডত শিক্ষাৰ্থীসকলৰ বাবে আয়োজিত সৰ্ববৃহৎ পদক্ষেপ। এই পদক্ষেপৰ জৰিয়তে ২০৪৭ চনত বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হোৱাৰ বাট সুগম হৈছে। মন্ত্ৰালয়ে এটা বিবৃতিৰ জৰিয়তে প্ৰকাশ কৰা অনুসৰি, এই কাৰ্য্যসূচীত ষষ্ঠৰ পৰা দ্বাদশ শ্ৰেণীৰ শিক্ষাৰ্থীসকলে অংশগ্ৰহণ কৰিব। এই কাৰ্য্যসূচীৰ জৰিয়তে তেওঁলোকে দলীয় অংশগ্ৰহণ, সৃষ্টিশীল চিন্তা-ধাৰা, ধাৰণাৰ বিকাশকে ধৰি বহু ইতিবাচক দিশত

অগ্ৰগতি লাভ কৰিব বুলি আশা কৰা হৈছে। মন্ত্ৰালয়ে লগতে প্ৰকাশ কৰে যে, ভোকেল ফৰ লোকেল, আত্ম-নিৰ্ভৰ ভাৰত, স্বদেশী আৰু সমৃদ্ধ ভাৰতৰ দৰে বিষয়বস্তুৰ ওপৰত ভিত্তি কৰি এই কাৰ্য্যসূচী গ্ৰহণ কৰা হৈছে। অংশগ্ৰহণকাৰী দলসমূহৰ ভিতৰত শীৰ্ষ স্থান প্ৰাপকসকললৈ মুঠ ১ কোটি টকাৰ পুৰস্কাৰ আগবঢ়োৱা হ'ব।

ooooo

ছুদানৰ উত্তৰ দৰফাৰৰ এল ফেচাৰৰ কিছু অঞ্চলত ৰেপিড চাপ'ৰ্ট ফ'ৰ্চ চমুকৈ, আৰ এছ এফে সামৰিক নিয়ন্ত্ৰণ সাব্যস্ত কৰা বুলি দাবী কৰিছে। অবশ্যে, ছুডানৰ সশস্ত্ৰ বাহিনী এছ এ এফে  আক্ৰমণ প্ৰতিহত কৰা বুলি উল্লেখ কৰি এই দাবী নস্যাৎ কৰিছে। উল্লেখযোগ্য যে, এল ফেচাৰৰ জনবসতিপূৰ্ণ অঞ্চলত ৰেপিড চাপ'ৰ্ট ফ'ৰ্চে চলোৱা গোলাবৰ্ষণত শিশু আৰু গৰ্ভৱতী মহিলাকে ধৰি কমেও ১৩ গৰাকী লোক নিহত হোৱাৰ লগতে ১৯ গৰাকী লোক আহত হয়। দেশখনৰ চিকিৎসক সংস্থাই এই আক্ৰমণক যুদ্ধ অপৰাধ হিচাপে গৰিহণা দিছে। ধ্বংসস্তূপৰ তলত আৰু অধিক লোক আৱদ্ধ হৈ থকাৰ আশংকা আছে। স্থানীয় সূত্ৰই প্ৰকাশ কৰা অনুসৰি, কেইবাহাজাৰ লোক কোনো সাহায্য আৰু সুৰক্ষা অবিহনে আৱদ্ধ হৈ আছে।

ooooo

আই চি চি মহিলাৰ এদিনীয়া বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ আজি গুৱাহাটীৰ বৰ্ষাপাৰা ষ্টেডিয়ামত অনুষ্ঠিত খেলত বাংলাদেশে ইংলেণ্ডক ১৭৯ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। টছত জিকি ইংলেণ্ডে প্ৰথমে বলিং কৰাৰ সিদ্ধান্ত লয়। বাংলাদেশে প্ৰথমে বেট ধৰি ৪৯ অভাৰ ৪টা বলত আটাইকেইটা উইকেট হেৰুৱাই ১৭৮ ৰাণ সংগ্ৰহ কৰে। ইংলেণ্ডে এই বাতৰি যুগুতোৱাৰ পৰলৈকে প্ৰথম ২ অভাৰত এটা উইকেট হেৰুৱাই ৬ ৰাণ সংগ্ৰহ কৰিছে।

বিশ্বকাপত দুয়োটা দল ইতিমধ্যে নিজৰ নিজৰ প্ৰথম খেলত জয়ী হৈছে। ইংলেণ্ডৰ দলটোৱে দক্ষিণ আফ্ৰিকাক ১০ উইকেটত পৰাস্ত কৰি পৰৱৰ্তী পৰ্যায়লৈ যোগ্যতা অৰ্জন কৰাৰ বিপৰীতে বাংলাদেশে পাকিস্তানৰ বিৰুদ্ধে ৭ উইকেটত জয়লাভ কৰে।

ooooo

সমাপ্ত